# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আজি নিচাযুক্ত দ্ৰব্যসহ কেইবাজনো সৰবৰাহকাৰীক আটক কৰিছে। এটা গোপন সূত্ৰৰ পম খেদি অভিযান চলাই চতিয়া আৰক্ষীয়ে মাজবাটৰ পৰা বিশ্বনাথলৈ অবৈধভাৱে সৰবৰাহ কৰা বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্যসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। চতিয়াৰ নাগশংকৰৰ সন্মুখত ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰে যাতায়াত কৰি থকা অৱস্থাত দুয়োগৰাকী সৰবৰাহকাৰীক আটক কৰা হয়।

গুৱাহাটীৰ দিছপুৰ আৰক্ষীয়ে চলোৱা এটা অভিযানত নিচাযুক্ত দ্ৰব্যসহ তিনিজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। গোপন তথ্যৰ ভিত্তিত খানাপাৰা অঞ্চলত চলোৱা অভিযানত সৰবৰাহকাৰীকেইজনৰ পৰা এখন স্কুটী আৰু ৪টা মোবাইল ফোনো জব্দ কৰা হয়। দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ পৰা তিনিওজন ব্যক্তিক জেৰা অব্যাহত ৰাখিছে।

ooooo

বিশ্বনাথ জিলাৰ কাজিৰঙাৰ ষষ্ঠ সংযোজনৰ প'ল'কটা টাপুত বন বিভাগে আজি এটা ৰয়েল বেংগল টাইগাৰৰ মৃতদেহ উদ্ধাৰ কৰে। বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ ফেৰেংগাদাও কেম্পৰ বনকৰ্মীয়ে প্ৰথমে মৃত বাঘটো প্ৰত্যক্ষ কৰে আৰু পৰৱৰ্তী সময়ত পশু চিকিৎসকৰ দল উপস্থিত হৈ বাঘটোৰ মৰনোত্তৰ পৰীক্ষা সম্পন্ন কৰে। বাঘটোৰ মৰনোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত এন টি চি এৰ গাইডলাইন অনুসৰি বন বিভাগে বাঘটোৰ মৃতদেহ দাহন কৰে। দুবছৰীয়া বাঘটো আন জন্তুৰ আক্ৰমনত আঘাতপ্ৰাপ্ত হৈ মৃত্যু হোৱা বুলি চিকিৎসকে সন্দেহ প্ৰকাশ কৰিছে। অৱশ্যে ফৰেনচিকৰ দলে পৰীক্ষা কৰাৰ পাছতহে বাঘটোৰ মৃত্যুৰ প্ৰকৃত তথ্য পোহৰলৈ আহিব বুলি বিশ্বনাথৰ চেণ্ট্ৰেল ৰেঞ্জৰ বন বিষয়া  নয়নজ্যোতি গগৈয়ে জানিবলৈ দিয়ে।

ooooo

গোলাঘাটৰ সৰুপথাৰ সমজিলাৰ বৰপথাৰত দুদিনীয়াকৈ আয়োজন কৰা চাওতাল জনগোষ্ঠীসকলৰ বাহা সন্মিলনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। বৰপথাৰ চাওতাল সাংস্কৃতিক ঐক্য মঞ্চৰ উদ্যোগত অহা ১ আৰু ২ এপ্ৰিলত এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত চাওতাল জনগোষ্ঠীৰ বিভিন্ন উপগোষ্ঠীৰ উপস্থিতিত পৰম্পৰাগত নৃত্য-গীত, চিত্ৰাংকন, সৃষ্টিশীল নৃত্য, সাহিত্য প্ৰতিযোগিতাৰ লগতে অন্যান্য বহুতো কাৰ্যসূচী অনুষ্ঠিত হ'ব।

ooooo

হোজাই জিলাৰ লংকাৰ নিকটৱৰ্তী ২ নম্বৰ পিপল পুখুৰী অঞ্চলত অৱস্থিত শ্ৰীশ্ৰীশংকৰদেৱ হাইস্কুলৰ সোণালী জয়ন্তী উৎসৱৰ আজি লাইখুটা স্থাপন কৰা হয়। লংকা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা প্ৰকৃতিপ্ৰেমী জয়বাবু সিংহই লাইখুটা স্থাপন কৰা অনুষ্ঠানত হোজাই জিলাৰ কেইবাজনো বিশিষ্ট ব্যক্তিৰ লগতে স্থানীয়

ৰাইজ আৰু বিদ্যালয়ৰ শিক্ষক আৰু শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। অহা ৪, ৫ আৰু ৬ এপ্ৰিল তাৰিখে ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তী উৎসৱ আয়োজন কৰা হ'ব। সোণালী জয়ন্তী উৎসৱৰ প্ৰথম দিনা তোৰণ উদ্বোধন, বিদ্যালয়ৰ পতাকা উত্তোলন, গছপুলি ৰোপণ, বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে নিশাৰ ভাগত নাট প্ৰদৰ্শন কৰা হ'ব। দ্বিতীয় দিনা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সোণালী জয়ন্তী বৰ্ষৰ ৫০ খন পতাকা উত্তোলন কৰাৰ লগতে নিশাৰ ভাগত এখন নাট মঞ্চস্থ হ'ব। তৃতীয় দিনা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত প্ৰাক্তন বিধায়িকা আঙ্গুৰলতা ডেকাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক শিবু মিশ্ৰ, জিলা আয়ুক্ত, জিলা আৰক্ষীসহ সাহিত্যিক নন্দসিং বৰকলা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব বুলি আদৰণি সমিতিৰ সভাপতিয়ে আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে।

ooooo

ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে আয়োজিত সদৌ অসম প্ৰাইজমানি মিডিয়া বেডমিণ্টন প্ৰতিযোগিতাৰ একক শাখাত বিকিৰণ সোণোৱালে বিজয়ীৰ সন্মান লাভ কৰে। নাহৰকটিয়া প্ৰেছ ক্লাবৰ বিকিৰণ সোণোৱালে ডিব্ৰুগড়ৰ স্বপ্নশ্ৰী গোস্বামীক ১৫-৯, ১৫-০৮ পইণ্টৰ পোনপটীয়া ছেটত পৰাজিত কৰি জয়লাভ কৰে। দ্বৈত শাখাত নাহৰকটিয়া প্ৰেছ ক্লাবৰ বিকিৰণ সোণোৱাল আৰু দিপাংকৰ কাকতিয়ে ডিব্ৰুগড়ৰ স্বপ্নশ্ৰী গোস্বামী আৰু সন্তোষ যাদৱক ১৫-৮, ১৫-১০ৰ পোনপটীয়া ছেটত পৰাজিত কৰি বিজয়ীৰ সন্মান লাভ কৰে। মহিলাৰ শাখাত নিউজ লাইভৰ ৰেচমা হায়দৰে এন ডি ২৪ৰ প্ৰিয়ংকা সেনাপতিক ১১-২, ১১-০৬ ত পোনপটীয়া ছেটত পৰাস্ত কৰি চেম্পিয়নশ্বিপ অৰ্জন কৰে। আজি জিলা ক্ৰীড়া সন্থাৰ চৌকিদিঙিস্থিত ইনদোৰ ষ্টেডিয়ামত অনুষ্ঠিত পুৰস্কাৰ বিতৰণি অনুষ্ঠানত প্ৰেছ ক্লাবৰ সভাপতি মানস জ্যোতি দত্তই সভাপতিত্ব কৰে। অনুষ্ঠানত মুখ্য অতিথি  হিচাপে অৰুণাচল প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নবাম টুকিৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ জীতেন হাজৰিকা, অইল ইণ্ডিয়া লিমিটেডৰ মাধুৰ্য্য বৰুৱা, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জয় কুমাৰ কাকতি আদি উপস্থিত থাকে। অনুষ্ঠানত স্বৰ্ণজ্যোতি শীৰ্ষক এখন স্মৰণিকা ডিব্ৰুগড় বিশ্ববিদ্যালযৰ উপাচাৰ্য্য ড০ জীতেন হাজৰিকাই উন্মোচন কৰে।

ooooo

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ২৫১ ৰাণ কৰি ভাৰতক জয়ৰ বাবে ২৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।  ভাৰতৰ হৈ বৰ্তমানলৈকে বৰুণ চক্ৰৱৰ্তী আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট সংগ্ৰহ কৰাৰ লগতে মহম্মদ শ্বামী আৰু ৰবীন্দ্ৰ জাডেজাই এটাকৈ উইকেট দখল কৰিছে।

ooooo

সমাপ্ত